# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-11-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ইলেকট্ৰনিকছ্‌ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰালয়ে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা পৰিচালন নীতি-নিৰ্দেশনা মুকলি কৰিছে।

২। এয়াৰ ইণ্ডিয়াৰ উদ্ধাৰকাৰী বিমানে মংগোলিয়াৰ উলানবটোৰত আৱদ্ধ দিল্লী অভিমুখী এ আই - ৱান চেভেন ফ'ৰ শ্ৰেণীৰ বিমানখনৰ সকলো যাত্ৰী আৰু চালক দলৰ সদস্যক নিৰাপদে ওভোতাই আনিছে।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

৪। শিখ ধৰ্মৰ প্ৰতিষ্ঠাপক গুৰু নানকৰ ৫৫৬ বছৰীয়া জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে গুৰু নানক জয়ন্তী উদযাপন কৰা হৈছে।

*আৰু*

৫। ভাৰতীয় মূলৰ আমেৰিকান নাগৰিক গজালা হাছমীয়ে ভাৰ্জিনিয়াৰ লেফটেনেণ্ট গৱৰ্ণৰ হিচাপে নিৰ্বাচিত হৈ ইতিহাস ৰচনা কৰিছে।

ooooo

ইলেকট্ৰনিকছ্‌ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰালয়ে ভাৰত কৃত্ৰিম বুদ্ধিমত্তা পৰিচালন নীতি-নিৰ্দেশনা মুকলি কৰিছে। এই নীতি-নিৰ্দেশনাৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত নিৰাপদ, সৰ্বাত্মক আৰু দায়িত্বশীল কৃত্ৰিম বুদ্ধিমত্তা প্ৰণালীৰ গ্ৰহণ সুনিশ্চিত কৰাৰ বাবে সৰ্বাত্মক পৰিকাঠামোৰ দিহা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধান বৈজ্ঞানিক উপদেষ্টা অজয় কুমাৰ চুডে মন্ত্ৰালয়ৰ সচিব এছ কৃষ্ণনৰ উপস্থিতিত আজি নতুন দিল্লীত এই নীতি-নিৰ্দেশনা মুকলি কৰে।

এই উপলক্ষে প্ৰফেচাৰ চুডে কয়, যে কাৰো ক্ষতি সাধন নকৰাটো এই পৰিকাঠামোৰ মূল ভাৱনা। তেওঁ কয়, যে ভাৰতে উদ্ভাৱনৰ বাবে ছেণ্ট বক্স অৰ্থাৎ উপ-প্ৰণালী গঢ়ি তোলাৰ বাবে আৰু সুগম তথা অনুকূল প্ৰণালীৰ ভিতৰত বিপদাশংকা প্ৰশমনৰ বিষয়ে গুৰুত্ব আৰোপ কৰিছে। ভাৰত কৃত্ৰিম বুদ্ধিমত্তা মিছনে এই তন্ত্ৰ অধিক সমৰ্থৱান কৰি তুলিব আৰু আন ভালেমান ৰাষ্ট্ৰক অনুপ্ৰাণিত কৰিব।

ooooo

এয়াৰ ইণ্ডিয়াৰ উদ্ধাৰকাৰী বিমানে মংগোলিয়াৰ উলানবটোৰত আৱদ্ধ দিল্লী অভিমুখী এ আই - ৱান চেভেন ফ'ৰ শ্ৰেণীৰ বিমানখনৰ সকলো যাত্ৰী আৰু চালক দলৰ সদস্যক নিৰাপদে ওভতাই আনিছে। উদ্ধাৰকাৰী বিমানখন আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। এয়াৰ ইণ্ডিয়াই অসামৰিক বিমান পৰিবহণ সঞ্চালকালয় আৰু যাত্ৰী তথা চালক দলৰ সদস্যসকললৈ সহায় আগবঢ়োৱা সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে। দেওবাৰে আমেৰিকাৰ ছেণ্ট ফ্ৰান্সিস্কোৰ পৰা উৰা মৰা এ আই - ৱান চেভেন ফ'ৰ শ্ৰেণীৰ

বিমানখনৰ যাত্ৰাপথ সন্দেহজনক কাৰিকৰী সমস্যাৰ বাবে সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে উলানবটোৰলৈ সলনি কৰা হৈছিল।

০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই পৰ্যায়ত ৰাজ্যখনৰ ১৮ খন জিলাৰ ১২১ টা সমষ্টি সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ত ৩ কোটি ৭৫ লাখ ভোটদাতাই এহেজাৰ ৩১৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ধাৰণ কৰিব। এই পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহৰ ভিতৰত পাটনা, দৰভংগা, মাধেপুৰা, ছহৰ্ষা, মুজাফ্‌ফৰপুৰ, গোপালগঞ্জ, ছিৱান, ছৰণ, বৈশালী, সমষ্টিপুৰ, বেগুচৰাই, লক্ষীচৰাই, মুংগেৰ, শ্বেইখপুৰা, নালন্দা, বক্সাৰ আৰু ভোজপুৰ আছে। ৰাজ্যখনত অহা ১১ নৱেম্বৰত দ্বিতীয় তথা অন্তিম পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পেঞ্চন দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ২৫ লাখৰো অধিক লোকে ডিজিটেল জীৱিতৰ প্ৰমাণ পত্ৰ প্ৰস্তুত কৰাৰ বাবে মুখমণ্ডলৰ জৰিয়তে প্ৰমাণীকৰণৰ প্ৰক্ৰিয়া আঁকোৱালি লোৱা বুলি প্ৰকাশ কৰিছে। ড০ সিঙে আজি নতুন দিল্লীত চতুৰ্থ ৰাষ্ট্ৰজোৰা ডিজিটেল জীৱিতৰ প্ৰমাণ পত্ৰ মুকলি কৰি নতুন দিল্লীত আজি এইদৰে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই অভিযান ডিজিটেল ইণ্ডিয়া অনুযায়ী পেঞ্চন ধাৰকসকলৰ ডিজিটেল সৰলীকৰণৰ এটা অনন্য সুযোগ। তেওঁ কয়, যে পূৰ্বতে এনে প্ৰমাণ পত্ৰৰ বাবে বায়োমেট্ৰিক ব্যৱস্থা ব্যৱহাৰ কৰা হৈছিল, কিন্তু ৭৫ বছৰ বা তাতকৈ অধিক বয়সৰ পেঞ্চন ধাৰকৰ বাবে এয়া নিৰ্ভৰযোগ্য নাছিল। ১০০ বছৰতকৈ অধিক বয়সৰ প্ৰায় দুহেজাৰ ২০০ গৰাকী পেঞ্চনধাৰকে পেঞ্চন লাভ কৰি আছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে মুখমণ্ডলৰ জৰিয়তে প্ৰমাণীকৰণৰ সুবিধা গ্ৰহণ কৰা ২৫ লাখ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ ভিতৰত ৩০ হাজাৰৰো অধিক হিতাধিকাৰীক ৯০ বছৰ উৰ্ধৰ। তেওঁ কয়, যে এই পৰিসংখ্যাৰ পৰা এতিয়াযে অধিকাংশ লোকে আধুনিক প্ৰযুক্তি আঁকোৱালি লৈছে সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ কয়, যে এই অভিযান এই মাহৰ শেষ ভাগলৈ চলিব। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে অভিযান সন্দৰ্ভত এখন পুস্তিকা আৰু চুটি ছবি মুকলি কৰে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে বিজেপি আৰু নিৰ্বাচন আয়োগৰ বিৰুদ্ধে উত্থাপন কৰা ভোট চুৰিৰ অভিযোগৰ বাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে এইবুলি অভিযোগ তোলে যে, শ্ৰীগান্ধীয়ে নিৰ্বাচনী ফলাফল কংগ্ৰেছৰ সপক্ষে নগ'লে নিৰ্বাচন আয়োগ আৰু ই ভি এমক দোষাৰোপ কৰে। কংগ্ৰেছে ভোটাৰ তালিকাৰ যিকোনো বিসংগতিক লৈ নিৰ্বাচন আয়োগৰ ওচৰত অভিযোগ কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। শ্ৰীগান্ধীয়ে নিৰৰ্থক বিষয় কিছুমান উত্থাপন কৰা বুলিও বিজেপি নেতাগৰাকীয়ে অভিযোগ কৰে। ইয়াৰ পূৰ্বে, লোকসভাত বিৰোধী পক্ষৰ দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বিজেপি আৰু নিৰ্বাচন আয়োগক সমালোচনা কৰি হাৰিয়াণা বিধানসভা নিৰ্বাচনত ব্যাপক খেলিমেলি হোৱা বুলি অভিযোগ উত্থাপন কৰিছিল।

০০০০০

বিজেপিয়ে দেশপ্ৰেমমূলক গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীৰ লগত সংগতি ৰাখি অহা শুকুৰবাৰে সমগ্ৰ দেশৰ ১৫০ টা স্থানত বিশেষ অনুষ্ঠানৰ আয়োজন কৰিব। কেন্দ্ৰীয় মন্ত্ৰীসভাই ৰাষ্ট্ৰীয় সংগীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীউৎসৱ হিচাপে উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তৰুণ চুঘে আজি নতুন দিল্লীত এখন সংবাদমেলত ঘোষণা কৰে। তেওঁ কয়, যে দলে ২৬ নবেম্বৰত পালন কৰিবলগীয়া সংবিধান দিৱসৰ দিনালৈকে বন্দে মাতৰম পৰিৱেশনৰ অনুষ্ঠানৰ আয়োজন কৰিব। তেওঁ কয়, যে বন্দে মাতৰম জাতীয়তাবাদ, একতা আৰু বৃটিছ শাসনৰ বিৰুদ্ধে প্ৰতিৰোধৰ সমূহীয়া ভাৱনাৰ প্ৰেৰণাদায়ক প্ৰতীকৰূপে পৰিগণিত হৈছে।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে বিজেপি আৰু নিৰ্বাচন আয়োগৰ বিৰুদ্ধে উত্থাপন কৰা ভোট চুৰিৰ অভিযোগৰ বাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে এইবুলি অভিযোগ তোলে যে, শ্ৰীগান্ধীয়ে নিৰ্বাচনী ফলাফল কংগ্ৰেছৰ সপক্ষে নগ'লে নিৰ্বাচন আয়োগ আৰু ই ভি এমক দোষাৰোপ কৰে। কংগ্ৰেছে ভোটাৰ তালিকাৰ যিকোনো বিসংগতিক লৈ নিৰ্বাচন আয়োগৰ ওচৰত অভিযোগ কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। শ্ৰীগান্ধীয়ে নিৰৰ্থক বিষয় কিছুমান উত্থাপন কৰা বুলিও বিজেপি নেতাগৰাকীয়ে অভিযোগ কৰে। ইয়াৰ পূৰ্বে, লোকসভাত বিৰোধী পক্ষৰ দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বিজেপি আৰু নিৰ্বাচন আয়োগক সমালোচনা কৰি হাৰিয়াণা বিধানসভা নিৰ্বাচনত ব্যাপক খেলিমেলি হোৱা বুলি অভিযোগ উত্থাপন কৰিছিল।

ooooo

বাণিজ্য তথা উদ্যোগ মন্ত্ৰী পীযুষ গোয়েলে আজি অক'লেণ্ডত অনুষ্ঠিত ভাৰত-নিউজিলেণ্ড বাণিজ্য সন্মিলনত নিউজিলেণ্ডৰ বাণিজ্য মন্ত্ৰী টড মেকক্লেৰ সৈতে সাক্ষাৎ কৰে৷ বৈঠকত গোৱেলে দুয়োখন দেশৰ মাজৰ সামুদ্ৰিক, মহাকাশ, প্ৰতিৰক্ষা, শিক্ষা, ক্ৰীড়া আৰু পৰ্যটনকে ধৰি বিভিন্ন সহযোগিতাৰ ক্ষেত্ৰসমূহৰ আলোকপাত কৰে৷

মন্ত্ৰীগৰাকীয়ে মেকক্লেৰ উপৰিও নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টফাৰ লাক্সন আৰু প্ৰবাসী ভাৰতীয় সকলকো সম্বোধন কৰে৷ তেওঁ কয়, যে চৰকাৰে কৰৰ বোজা হ্ৰাস কৰি ব্যৱসায় কৰিবলৈ সুস্থিৰ পৰিৱেশ সৃষ্টিৰ বাবে কাম কৰি আছে৷ ভাৰতক বিশ্বৰ ভিতৰতে এখন আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ভাৰত আৰু নিউজিলেণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি চূড়ান্ত কৰাটোৱে কেৱল দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্ক শক্তিশালী কৰাই নহয়, দেশদুখনৰ বাবে অপৰিসীম সুযোগ মুকলি কৰিব৷ তেওঁ ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ অংশীদাৰিত্ব গভীৰ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ বিষয়ত গভীৰভাৱে আলোকপাত কৰাৰ লগতে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা প্ৰবাসী ভাৰতীয়সকলৰ অৱদানৰো সলাগ লয়৷

০০০০০

শিখ ধৰ্মৰ প্ৰতিষ্ঠাপক গুৰু নানকৰ ৫৫৬ বছৰীয়া জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে গুৰু নানক জয়ন্তী উদযাপন কৰা হৈছে। ইয়াক গুৰুপৰব হিচাপেও জনা যায়। প্ৰতি বছৰে কাৰ্তিক পূৰ্ণিমাৰ দিনা গুৰুপৰব উদযাপন কৰা হয়। দেশ-বিদেশৰ ভক্তসকলে পৰম্পৰাগত নীতি-নিয়মেৰে শিখ ধৰ্মৰ এই অন্যতম পবিত্ৰ উৎসৱ পালন কৰে।

গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই উৎসৱে আমাক সকলোকে গুৰু নানক দেৱৰ আদৰ্শ আৰু প্ৰমূল্যৰাজিক আঁকোৱালি ল'বলৈ অনুপ্ৰাণিত কৰে আৰু সকলোকে এখন উন্নত সমাজ গঢ়াৰ দিশত আগুৱাই লৈ যায়। তেওঁ কয়, যে গুৰু নানকৰ বাৰ্তাসমূহে সত্য, ন্যায় আৰু কৰুণাৰ ভিত্তিত জীৱন যাপন কৰাৰ শিক্ষা দিয়ে। তেওঁৰ এই শিক্ষা সফলতাৰ প্ৰকৃত মাপকাঠী বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ কয়, যে গুৰু নানকৰ জীৱনে সকলোকে সততাৰে জীৱন-যাপন কৰিবলৈ আৰু সম্পদসমূহ আনৰ সৈতে ভগাই ল'বলৈ অনুপ্ৰাণিত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে কাৰ্তিক পূৰ্ণিমা আৰু দেৱ দীপাৱলী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে এটা বাৰ্তাযোগে ভাৰতীয় সংস্কৃতি আৰু আধ্যাত্মিকতাৰ সৈতে জড়িত এই উৎসৱে যেন সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি, শান্তি আৰু সুস্বাস্থ্যৰ বতৰা কঢ়িয়াই আনে, তাৰেই কামনা কৰে। তেওঁ লগতে পৱিত্ৰ স্নান, আৰতি আৰু পূজা-অৰ্চনাৰ সৈতে জড়িত পৱিত্ৰ পৰম্পৰাই সকলোৰে জীৱন পোহৰাই তুলিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় মূলৰ আমেৰিকান নাগৰিক গজালা হাছমীয়ে ভাৰ্জিনিয়াৰ লেফটেনেণ্ট গৱৰ্ণৰ হিচাপে নিৰ্বাচিত হৈ ইতিহাস ৰচনা কৰিছে। তেওঁ এই পদত নিৰ্বাচিত হোৱা ভাৰতীয় মূলৰ প্ৰথমগৰাকী মহিলা। ডেম'ক্ৰেট পাৰ্টীৰ ৬১ বছৰীয়া সদস্যগৰাকীয়ে এই নিৰ্বাচনত ৰিপাব্লিকান পাৰ্টীৰ জন ৰীডক পৰাভূত কৰে। ১৯৬৪ চনত জন্ম গ্ৰহণ কৰা শ্ৰীমতী হাছমীয়ে জীৱনৰ প্ৰথম সময়ছোৱা হায়দৰাবাদৰ মলকপেটত অতিবাহিত কৰিছিল। তেওঁ চাৰি বছৰ বয়সত আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈছিল। তেওঁৰ পিতৃ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল।

০০০০০

সমাপ্ত